**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-06-2026 **Time :** 1:40 Hrs.

***Assamese Midday Bulletin***

## ***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু পাঁচদিনীয়া ভ্ৰমণসূচীৰে আজি মধ্য প্ৰদেশ আৰু ওড়িশালৈ গৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত আৰু ফ্ৰান্সৰ মাজত অৰ্থনৈতিক আৰু ঔদ্যোগিক সহযোগিতা বৃদ্ধিৰ প্ৰচেষ্টাৰ অংশ হিচাপে আজি কেইবাখনো বৈঠকত মিলিত হ'ব।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নৰেন্দ্ৰ মোদী চৰকাৰৰ বিগত ১২ বছৰত উন্নয়ন আৰু ঐতিহ্যৰ সংগমৰ সোণালী যুগ হিচাপে আখ্যা দিছে।

৪। হিমাচল প্ৰদেশৰ চাম্বা জিলাত যোৱা নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত ৭ জন লোকে প্ৰাণ হেৰুৱায়। ***আৰু***

৫। ভাৰতে আজি এফ আই এইচ নেচনছ্ কাপ হকী প্ৰতিযোগিতাৰ এখন খেলত উৰুগুৱেক ৩-২ গ'লত পৰাস্ত কৰে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু পাঁচদিনীয়া ভ্ৰমণসূচীৰে আজি মধ্য প্ৰদেশ আৰু ওড়িশালৈ গৈছে। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত তেওঁক আজি ইণ্ডোৰ বিমান বন্দৰত মধ্য প্ৰদেশৰ ৰাজ্যপাল মংগুভাই পেটেল আৰু মুখ্যমন্ত্ৰী ড০ মোহন যাদৱে আদৰণি জনায়। শ্ৰীমতী মুৰ্মু ইণ্ডোৰৰ পৰা পোনে পোনে বেতুললৈ যায় আৰু তাত তেওঁ প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ে আয়োজন কৰা **আধ্যাত্মিক সজাগতাৰ জৰিয়তে জনজাতীয় সম্প্ৰদায়সমূহৰ সবলীকৰণ** শীৰ্ষক এটা অনুষ্ঠানত অংশ লয়। ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ ভাষণত কয় যে জনজাতীয় সম্প্ৰদায়ৰ সবলীকৰণৰ লক্ষ্যৰে আয়োজন কৰা এই অনুষ্ঠান কেৱল এই খণ্ডৰ বাবে নহয়, বৰঞ্চ সমগ্ৰ দেশ তথা সমাজৰ বাবে গুৰুত্বপূৰ্ণ। তেওঁ ব্ৰহ্মকুমাৰীৰ এই পদক্ষেপৰ শলাগ লৈ কয় যে ইয়াৰ জৰিয়তে জনজাতীয় লোকসকলক দেশৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাত সহায় কৰিব। তেওঁ কয় যে স্বামী বিবেকানন্দকে ধৰি কেইবাগৰাকী চিন্তাবিদে ভাৰতক মানৱতা আৰু সৰ্বাংগীন বিকাশৰ পথ প্ৰদৰ্শক বুলি অভিহিত কৰিছিল। জনজাতীয় লোকসকলৰ জীৱন প্ৰণালী প্ৰাকৃতিকভাৱে প্ৰকৃতি আৰু আধ্যাত্মিকতাৰ সৈতে জড়িত বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয় যে জনজাতীয় সমাজে পৃথিৱী, পানী, বায়ু, সূৰ্য আৰু প্ৰকৃতিৰ অন্যান্য উপাদানসমূহৰ সন্মান কৰে আৰু ইয়াৰ সংৰক্ষণ কৰাটো তেওঁলোকৰ জীৱনৰ এটা গুৰুত্বপূৰ্ণ অংশ হিচাপে বিবেচেনা কৰে। সমাজে পৰিৱেশ সংৰক্ষণ আৰু প্ৰকৃতিৰ সৈতে সামঞ্জস্য ৰক্ষা কৰি জীয়াই থকাৰ বিষয়ে জনজাতীয় সম্প্ৰদায়ৰ পৰা শিকিব পাৰে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে কয় যে বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ বাবে সমাজৰ সকলো শ্ৰেণীৰ সম-উন্নয়ন অতি গুৰুত্বপূৰ্ণ।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত আৰু ফ্ৰান্সৰ মাজত অৰ্থনৈতিক আৰু ঔদ্যোগিক সহযোগিতা বৃদ্ধিৰ প্ৰচেষ্টাৰ অংশ হিচাপে আজি পেৰিছত ফ্ৰান্সৰ আগশাৰীৰ ব্যৱসায়ীসকলৰ সৈতে উচ্চ পৰ্যায়ৰ এলানি বৈঠকত মিলিত হ'ব। প্ৰধানমন্ত্ৰী আৰু ছেইণ্ট গোবনৰ অধ্যক্ষ তথা মুখ্য কাৰ্যবাহী বিষয়া বেনইট বাজিনৰ মাজত হ'বলগীয়া আলোচনাৰে এই বৈঠকৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। এই আলোচনাত সেউজ উৎপাদন আৰু বহনক্ষম আন্তঃগাঁথনিত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীয়ে অলষ্টমৰ মুখ্য কাৰ্যবাহী বিষয়াৰ সৈতে হ'বলগীয়া বৈঠকত আহ-যাহৰ অত্যাধুনিক মাধ্যম আৰু ৰে'লৰ আধুনিকীকৰণক লৈ মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰযুক্তিখণ্ডৰ আগশাৰীৰ কোম্পানী মিষ্ট্ৰেল এ আইৰ সহ প্ৰতিষ্ঠাপক তথা মুখ্য কাৰ্যবাহী বিষয়া আৰ্থুৰ মেনছ্ৰ সৈতে কৃত্ৰিম বুদ্ধিমত্তা, উদ্ভাৱন আৰু দায়িত্বশীল কৃত্ৰিম বুদ্ধিমত্তা সন্দৰ্ভত আলোচনা কৰিব। চি এম এ চি জি এম গোটৰ অধ্যক্ষ তথা মুখ্য কাৰ্যবাহী বিষয়া ৰোডল্ফে ছাডেৰ সৈতে হ'বলগীয়া বৈঠকেৰে প্ৰধানমন্ত্ৰীৰ আলোচনাৰ সামৰণি পৰিব।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ যোৱা ১২ বছৰক উন্নয়ন আৰু ঐতিহ্যৰ সংগমৰ সোণালী যুগ হিচাপে আখ্যা দিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি সামাজিক মাধ্যমযোগে কয়, যে যোৱা ১২ বছৰত শ্ৰী ৰাম জন্মভূমি মন্দিৰ, কাশী-বিশ্বনাথ কৰিড'ৰ আৰু উজ্জয়িন মহাকাল লোকৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু বিশ্বমানৰ যোগাযোগ, আন্তঃগাঁথনি প্ৰকল্প তথা মেক ইন ইণ্ডিয়াৰ দৰে উদ্যমসমূহে দেশৰ উন্নয়ন যাত্ৰাত গতি প্ৰদান কৰিছে। তেওঁ লগতে কয়, যে এই সময়ছোৱাত ১ কোটি নথিৰ ডিজিটেল ৰূপ প্ৰদান কৰা হৈছে আৰু ৬৬৮ টা প্ৰাচীন কলাকৃতি স্বদেশলৈ ঘূৰাই অনা হৈছে। এই সময়ছোৱাত ১১ টা জনজাতীয় সংগ্ৰহালয় স্থাপন কৰা হৈছে আৰু ১১ টা ভাৰতীয় ভাষালৈ ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে এনে কাৰ্যৰ দ্বাৰা উন্নয়ন আৰু ঐতিহ্য যে পৰস্পৰৰ পৰিপূৰক সেয়া স্পষ্ট হৈ পৰা বুলি প্ৰকাশ কৰে।

০০০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি নতুন দিল্লীত মন্ত্ৰ্যালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে অনুষ্ঠিত এখন সৰ্বাত্মক বৈঠকত উত্তৰ-পূৰ্বাঞ্চলত ৰূপায়িত অভ্যন্তৰীণ জলপথ প্ৰকল্পসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে বিকশিত উত্তৰ-পূব আৰু বিকশিত ভাৰত নিৰ্মাণৰ পথ প্ৰশস্ত কৰাৰ উদ্দেশ্যে যোগাযোগ, বাণিজ্য, পৰ্যটন আৰু জীৱিকা সুদৃঢ় কৰাৰ বাবে অঞ্চলটোৰ জলপথৰ ব্যাপক সম্ভাৱনাৰ পূৰ্ণ ব্যৱহাৰ কৰিছে। তেওঁ লগতে লোথালত নিৰ্মাণ কৰিবলগীয়া ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য চৌহদৰ কাম-কাজৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰে।

০০০০০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই বিগত দশকত ভাৰতে শিক্ষা, দক্ষতা, উদ্যমিতা, ক্ৰীড়া, স্বাস্থ্য আৰু অসামৰিক অংশগ্ৰহণৰ ক্ষেত্ৰত যুৱক-যুৱতীসকলৰ বাবে সুযোগ বৃদ্ধি কৰিছে বুলি প্ৰকাশ কৰিছে। এখন ৰাষ্ট্ৰীয় দৈনিক কাকতত প্ৰকাশিত এটা লেখাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দেশৰ যুৱচামক অমৃত প্ৰজন্ম বুলি উল্লেখ কৰি কয়, যে এই প্ৰজন্মই বিকশিত ভাৰত ২০৪৭ৰ যাত্ৰাক নেতৃত্ব দিব। শ্ৰীমন্দাভিয়াই উল্লেখ কৰে যে বিকশিত ভাৰতৰ বাবে যুৱচামক চালিকা শক্তি বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বাস কৰে।

০০০০০০০০০

কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি নতুন দিল্লীত খাদ্য সামগ্ৰীৰ স্মাৰ্ট মজুতকৰণ প্ৰণালী মুকলি কৰিব। মজুতকৰণ ব্যৱস্থাপনা পদ্ধতি আৰু খাদ্য সুৰক্ষা মজুতকৰণৰ দক্ষতা বৃদ্ধিৰ উদ্দেশ্যে এই প্ৰযুক্তি আধাৰিত প্ৰণালী প্ৰৱৰ্তন কৰা হ'ব। এই প্ৰণালীৰ অধীনত কৃত্ৰিম বুদ্ধিমত্তা, স্বয়ংক্ৰিয়সহ অত্যাধুনিকপ্ৰযুক্তি ব্যৱহাৰ কৰা হ'ব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ডিজিটেল ইণ্ডিয়া, ভাৰত কৃত্ৰিম বুদ্ধিমত্তা অভিযান, প্ৰধানমন্ত্ৰী গতিশক্তি আৰু আত্মনিৰ্ভৰ ভাৰত অভিযানৰ দৃষ্টিভংগী অনুযায়ী এই উদ্যম গ্ৰহণ কৰা হৈছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ অধীনত দুহেজাৰ ৪০০ কোটি টকাৰ আৰ্থিক সাহায্য বিতৰণ কৰিব। নতুন দিল্লীত আজি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰি শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মাণ্ডভিয়াই কয় যে বিগত বৰ্ষৰ আগষ্টৰ পৰা এই আঁচনি অধীনত ৬৩ লাখৰো অধিক কৰ্মচাৰীক অন্তৰ্ভুক্ত কৰা হৈছে আৰু ইয়াৰ ভিতৰত প্ৰায় ৩০ শতাংশ মহিলা আছে।

০০০০০০০০০

হিমাচল প্ৰদেশৰ চাম্বা জিলাত যোৱা নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত ৭ জন লোকে প্ৰাণ হেৰুৱায়। নিহত আটাইকেইজন একেখন গাঁৱৰে নিবাসী আছিল। ইয়াৰ ভিতৰত চাৰিজন পুৰুষ আৰু তিনিগৰাকী মহিলা আছিল। চূড়া অঞ্চলৰ মানি জিৰোৰ সমীপত পুখৰী-মাছৰুণ্ড পথত যোৱা নিশা এখন চাৰিচকীয়া বাহনে নিয়ন্ত্ৰণ হেৰুৱাই প্ৰায় ৫০০ মিটাৰ দ' খাৱৈত বাগৰি পৰাৰ ফলতে এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত বাহনখন সম্পূৰ্ণৰূপে ধ্বংস হয় আৰু আটাইকেইজন আৰোহীৰ থিতাতে মৃত্যু হয়। আৰক্ষী সূত্ৰই জনোৱা মতে নিশা প্ৰায় ২ বজাত সংঘটিত এই দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে

স্থানীয় লোকে ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। কিন্তু আন্ধাৰ আৰু দ' খাৰৈৰ বাবে লোককেইজনক উঠাই অনাত ব্যৰ্থ হয়। পাছত আৰক্ষী আৰু স্থানীয় লোকৰ সহযোগত খাৰৈৰ পৰা আটাইকেইটা মৃতদেহ উদ্ধাৰ কৰা হয়।

০০০০০০০০০

ভাৰতে আজি নিউজিলেণ্ডত অনুষ্ঠিত মহিলাৰ FIH NATION'S CUP হকী প্ৰতিযোগিতাৰ পুল এৰ এখন খেলত উৰুগুৱেক ৩-২ গ'লত পৰাস্ত কৰি প্ৰতিযোগিতাত একেৰাহে তৃতীয়খন খেলত বিজয় সাব্যস্ত কৰে। প্ৰতিযোগিতাৰ আৰম্ভণিতে পিছ্ পৰি থকা ভাৰতে দীপিকাৰ গ'লেৰে সমতা স্থাপন কৰে। দীপিকাই ইয়াৰ পাছতে দ্বিতীয়টো গ'ল কৰি দলক অগ্ৰগতি প্ৰদান কৰে। তিনিখন খেলৰ তিনিওখনতে জয়লাভ কৰি ভাৰত সম্প্ৰতি পুল এৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে আৰু ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰত অহা ২০ জুনত হ'বলগীয়া ছেমি ফাইনেলত ছিলি আৰু কোৰিয়াৰ মাজৰ খেলখনত বিজয় দলটোৰ সন্মুখী হ'ব।

০০০০০০০০০

ফিফা বিশ্বকাপ ফুটবলৰ মেক্সিক'ত অনুষ্ঠিত কে গ্ৰুপৰ এখন খেলত কলম্বিয়া উজবেকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনৰ ৭৮ মিনিটলৈকে কলোম্বিয়াই ২-১ গলত আগবাঢ়ি আছে। ইয়াৰ আগেয়ে ঘানা আৰু পানামাৰ মাজত টৰণ্টো ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ এলৰ এখন খেলত ঘানাই পানামাক ১-০ গ'লত পৰাজিত কৰে।

আন এখন খেলত ইংলেণ্ডে ক্ৰ'ৱেছিয়াৰ বিৰুদ্ধে ৪-২ গ'লত জয়লাভেৰে নিজৰ অভিযান আৰম্ভ কৰিছে। আমেৰিকাৰ ডালাছত অনুষ্ঠিত খেলখনৰ প্ৰথমাৰ্ধত ইংলেণ্ডৰ অধিনায়ক হেৰী কেনে ১২ আৰু ৪২ মিনিটত পেনাল্টিৰ জৰিয়তে দুটা গ'ল কৰাৰ বিপৰীতে ক্ৰ'ৱেশিয়াৰ হৈ মাৰ্টিন বাটুৰিনাই ৩৬ মিনিটত আৰু পেটৰ মুছাই ৪৫ মিনিটত এটাকৈ গ'ল কৰি সমতা স্থাপন কৰে। পাছলৈ দ্বিতীয়াৰ্ধৰ আৰম্ভণিতে ৪৭ মিনিটত জুড বেলিঙাম আৰু ৮৫ মিনিটত মাৰ্কাছ ৰেশ্ব্‌-ফ'ৰ্ডে একোটাকৈ গ'ল কৰি ইংলেণ্ডৰ জয় নিশ্চিত কৰে।

প্ৰতিযোগিতাৰ আন এখন খেলত পৰ্তুগাল কংগোৰ বিৰুদ্ধে ১-১ গ'লত ড্ৰ'তে সন্তুষ্ট থাকিবলগীয়া হয়। খেলখনত পৰ্তুগালৰ জাও নেভেছে ষষ্ঠ মিনিটত গ'ল কৰি দলক অগ্ৰগতি দিয়ে যদিও ৪৫ মিনিটত কংগোৰ হৈ ইয়ন ৰিছাই সমতা স্থাপন কৰে। এই খেলখনৰ জৰিয়তে পৰ্তুগালৰ অধিনায়ক ক্ৰিষ্টিয়ানো ৰোনাল্ডো ফিফা বিশ্বকাপৰ খেল এখনত আৰম্ভণি কৰা আটাইতকৈ বয়োজ্যেষ্ঠ আউটফিল্ড খেলুৱৈ হিচাপে পৰিগণিত হয়।

০০০০০০০০০

সমাপ্ত